জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৪৭/২০২০

# বলিউডৰ জনপ্ৰিয় অভিনেতা অক্ষয় কুমাৰে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়ালে ১ কোটি টকাৰ অনুদান

## অসমৰ জনসাধাৰণে সন্মুখীন হোৱা জটিল সন্ধিক্ষণত সহায়ৰ হাত আগবঢ়োৱাৰ বাবে অক্ষয় কুমাৰক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৮ আগষ্ট ঃ** ৰাজ্যখনৰ জনসাধাৰণে সম্প্ৰতি বানপানীকে ধৰি অন্যান্য কিছু সংখ্যক জটিল সমস্যাৰ সন্মুখীন হৈ থকাৰ সময়তে বলিউডৰ জনপ্ৰিয় অভিনেতা অক্ষয় কুমাৰে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১ কোটি টকাৰ অনুদান আগবঢ়াইছে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে জনপ্ৰিয় তথা প্ৰসিদ্ধ অভিনেতা গৰাকীয়ে এই জটিল সন্ধিক্ষণত অসমলৈ আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে অভিনেতাগৰাকীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

উল্লেখ্য যে যোৱা বছৰো বলিউডৰ এই জনপ্ৰিয় অভিনেতাগৰাকীয়ে অসমৰ বানপীড়িতৰ সহায়ৰ বাবে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১ কোটি টকা আৰু কাজিৰঙাৰ বন্যপ্ৰাণীৰ উদ্ধাৰ তথা সুৰক্ষাৰ বাবে ১ কোটি টকাৰ বৰঙনি আগবঢ়াইছিল।

**বঃভাঃ / পুঃডেঃ**
**১৮/০৮/২০২০**